# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 14-04-2025
**Time :** 0755 hrs

ASSAMESE MORNING BULLETIN

**::::::::::::::::::**

অসমীয়াৰ বাপতিসাহোন ৰঙালী বিহুৰ প্ৰথম দিনটো আজি গৰু বিহু হিচাপে সমগ্ৰ ৰাজ্যজুৰি উদযাপন কৰা হৈছে। এই উপলক্ষে পুৱাৰে পৰা নৈৰ ঘাট আৰু খাল-বিলসমূহত উখল-মাখল পৰিৱেশে বিৰাজ কৰিছে। পুৱাই গঞা ৰাইজে গোহালিৰ গৰুকেইটা নোৱাই-ধোৱাই বছৰটোলৈ গোধনৰ শ্ৰীবৃদ্ধি কামনা কৰিছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে বিহু উপলক্ষে ৰাজ্যখনৰ জনসাধাৰণলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। এটা বাৰ্তাত শ্ৰীমতী মুৰ্মুৱে বিহুৰ লগতে দেশৰ বিভিন্ন প্ৰান্তত উদযাপন কৰা বৈশাখী, পহিলা বৈশাখ, মেষাদি, পুতান্দু পিৰাপুকে ধৰি নৱবৰ্ষৰ উদসৱসমূহৰ বাবে শুভেচ্ছা জ্ঞাপন কৰে। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই অসমীয়াৰ বাপতিসাহোন ৰঙালি বিহু আৰু অসমীয়া নৱবৰ্ষৰ শুভক্ষণত ৰাজ্যবাসীলৈ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছে। ৰঙালী বিহুৱে সংস্কৃতি আৰু পৰিৱেশৰ মাজৰ চিৰ বিৰাজমান আন্তঃসম্পৰ্ক প্ৰতিফলিত কৰে বুলি ৰাজ্যপালগৰাকীয়ে মত প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই ৰঙালী বিহু উপলক্ষে ৰাজ্যবাসীক আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছে। ৰঙালী বিহু তথা অসমীয়া নৱবৰ্ষৰ প্ৰাকক্ষণত বিশিষ্ট সাহিত্যিক, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, মিতভাষৰ স্ৰষ্টা ড০ নগেন শইকীয়াই অসমবাসী ৰাইজক আকাশবাণী যোগে এইদৰে শুভেচ্ছা জনাই মনৰ ভাব প্ৰকাশ কৰিছে।

*(বাইট ঃ ড০ নগেন শইকীয়া)*

ৰাজ্যৰ আন প্ৰান্তৰ লগতে চৰাইদেউ জিলাতো উলহ-মালহেৰে গৰু বিহু পালন কৰা হৈছে। এই উপলক্ষে পুৱাতে গৰুক নৈ-জান-জুৰিৰ পাৰলৈ নি গা ধুওৱাৰ উপৰি লাউ-বেঙেনা খুৱাই মংগল কামনা কৰা হৈছে।

তিনিচুকীয়া জিলাতো আজি গৰু বিহু উপলক্ষে পুৱাৰে পৰাই উৎসাহ-উদ্দীপনা দেখা গৈছে। কৃষিৰ বাবে অপৰিহাৰ্য্য গো-ধনৰ শ্ৰীবৃদ্ধিৰ বাবে আজি জিলাখনৰ কৃষিজীৱি ৰাইজে পুৱাৰে পৰা গৰুক গা ধুৱাই বিহু পালন কৰিছে। শিৱসাগৰ জিলাতো আজি ৰাইজে গৰু বিহু উপলক্ষে কৃষ্টি-সংস্কৃতি ৰক্ষা কৰি ৰীতি-নীতিসমূহ পালন কৰাৰ লগতে উলহ-মালহেৰে বিহু উদযাপন কৰিছে।

বিগত বৰ্ষৰ দৰে ব'হাগক আদৰিবলৈ এইবাৰো সদৌ গুৱাহাটী ছাত্ৰ সন্থাই আজি জজ খেলপথাৰত মুকলি বিহুৰ আয়োজন কৰিছে। এই অনুষ্ঠানত ৰাজ্যখনৰ কেইবাটাও প্ৰখ্যাত বিহু হুঁচৰি দলে অংশগ্ৰহণ কৰিব। লগতে অসমৰ সমাজ জীৱনলৈ প্ৰভূত বৰঙণি আগবঢ়োৱা কেইবাজনো বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা জনোৱা হ'ব।

ঐতিহ্যমণ্ডিত গুৱাহাটী বিহু সন্মিলনীয়ে আজিৰে পৰা চাৰিদিনীয়া কাৰ্যসূচীৰে লতাশিল খেলপথাৰত ৰঙালী বিহুৰ আয়োজন কৰিছে।

00000

ৰাজ্য চৰকাৰে দুহেজাৰ ২৪১ খন বিহু সমিতিলৈ আৰ্থিক অনুদান আগবঢ়াইছে। ১০ বছৰতকৈ অধিক পুৰণি বিহু সমিতিসমূহলৈ বিগত বৰ্ষৰ দৰে ডেৰ লাখ টকাকৈ সাহায্য প্ৰদান কৰা হৈছে। ২০২৪ চনত দুহেজাৰ ৩০৬ খন বিহু সমিতিক বিত্তীয় সাহায্য প্ৰদান কৰিছিল যদিও এইবাৰ বিত্তীয় সাহায্য লাভ কৰা বিহু সমিতিৰ সংখ্যা ৬৫ লৈ হ্ৰাস পাইছে। বিহু সমিতিসমূহে যাতে বিহু আয়োজনৰ নামত ৰাইজৰ পৰা অন্য ধৰণে বৰঙণি নোতোলে, তাৰ বাবে চৰকাৰে বিহু সমিতিসমূহক এনেদৰে বিগত কেইবাটাও বছৰ ধৰি আৰ্থিক সাহায্য আগবঢ়াই আহিছে। গুৱাহাটীত যান-যটৰ প্ৰতি লক্ষ্য ৰাখি বিহুৰ কেইদিন মহানগৰ আৰক্ষীয়ে সমদল-শোভাযাত্ৰা নিষিদ্ধ কৰিছে। সেইদৰে ৰাজপথত মাৰাথন, ৱাকাথন আদিও নিষিদ্ধ কৰা হৈছে। মহানগৰখনৰ ৰাজপথত সুচল যাতায়াতৰ বাবে এই ব্যৱস্থা গ্ৰহণ কৰা হৈছে। মহানগৰ আৰক্ষীৰ উপ-আয়ুক্ত ইমদাদ আলী স্বাক্ষৰিত এটা বিবৃতি প্ৰকাশ কৰা হৈছে।

00000

অহা ২ আৰু ৭ মে'ত হ'বলগীয়া পঞ্চায়ত নিৰ্বাচনৰ বাবে ৰাজ্যৰ ভিন্ন প্ৰান্তত প্ৰাৰ্থীসকলৰ মনোনয়ন পত্ৰ দাখিলৰ পাছতে পৰীক্ষণ সম্পন্ন হৈছে। তিনিচুকীয়া জিলা পঞ্চায়ত নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰ পৰীক্ষাৰ অন্তত জিলাখনৰ ২২খন আসনৰ বাবে দাখিল কৰা মুঠ ৬৭জন প্ৰাৰ্থীৰ মনোনয়ন বৈধ পোৱা গৈছে। জিলাখনৰ আঞ্চলিক পঞ্চায়তৰ বাবে ২০৫খন মনোনয়ন পত্ৰ বৈধ হোৱাৰ বিপৰীতে ৭খন মনোনয়ন পত্ৰ নাকচ কৰা হয়।

শোণিতপুৰ জিলাৰ অন্তৰ্গত ২০খন জিলা পৰিষদৰ নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰ দাখিলৰ অন্তিম দিনা ৪৯গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰিছিল। মনোনয়ন পত্ৰ পৰীক্ষণৰ অন্তত ৪৮খন মনোনয়ন গ্ৰহণ আৰু এখন মনোনয়ন নাকচ কৰা হৈছে। জিলাখনৰ অন্তৰ্গত  ৮৮খন গাঁও পঞ্চায়ত সমষ্টিৰ বিপৰীতে দুহেজাৰ ২৫২খন মনোনয়ন পত্ৰ দাখিল কৰা হৈছিল। পৰীক্ষাৰ অন্তত দুহেজাৰ ১৬৮খন মনোনয়ন গ্ৰহণ কৰা হৈছে আৰু ৮৪খন মনোনয়ন পত্ৰ বিভিন্ন কাৰণত নাকচ কৰা হয়।

00000

সমাপ্ত